**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 10-12-2025
**Time :** 19-10  Hrs

***Assamese Evening Bulletin***
***Headlines***

00000

১। ৰাজ্যসভাত আজি পুনৰ ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ ১৫০ সংখ্যক বাৰ্ষিকী সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ জনসাধাৰণক **আপোনাৰ ধন-আপোনাৰ অধিকাৰ অভিযান**ত অংশগ্ৰহণ কৰাৰ বাবে আহ্বান জনাইছে।

৩। অহা দশকৰ ভিতৰত ভাৰত হাইড্ৰ'জেন শক্তি ৰপ্তানিকাৰী দেশ হিচাপে পৰিগণিত হোৱাৰ পথত অগ্ৰসৰ হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে প্ৰকাশ কৰিছে।

৪। ঐতিহাসিক অসম আন্দোলনত প্ৰাণ আহুতি দিয়া শ্বহীদৰ স্মৃতিত শ্ৰদ্ধা জনাই আজি ৰাজ্যজুৰি শ্বহীদ দিৱস পালন কৰা হয়।

*আৰু*

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টী-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল কাইলৈ চণ্ডীগড়ৰ মুল্লানপুৰত অনুষ্ঠিত হ'ব।

00000

ৰাজ্যসভাত আজি পুনৰ ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ ১৫০ সংখ্যক বাৰ্ষিকী সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে কালি সদনত এই আলোচনা আৰম্ভ কৰে। আলোচনাত ভাগ লৈ কংগ্ৰেছৰ সাংসদ জয়ৰাম ৰমেশে প্ৰাক্তন প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুক অপমান কৰাৰ লক্ষ্যৰে বন্দে মাতৰম সন্দৰ্ভত আলোচনা অনুষ্ঠিত হৈছে বুলি অভিযোগ কৰে। তেওঁ লগতে কংগ্ৰেছৰ প্ৰতিখন অধিৱেশনতে এই ৰাষ্ট্ৰীয় গীতটি পৰিৱেশন কৰা হয় বুলি প্ৰকাশ কৰে। চি পি আইৰ সাংসদ সন্তোষ কুমাৰে কয়, যে বন্দে মাতৰম গীতটোৱে ভগৎ সিং, চন্দ্ৰশেখৰ আজাদ আৰু খুদীৰাম বসুৰ দৰে হাজাৰ হাজাৰ স্বাধীনতা যুঁজাৰুক অনুপ্ৰেৰণা যোগাইছিল। তেওঁ লগতে কয়, যে এই গীতটো ৰাষ্ট্ৰৰ প্ৰাণত আছে আৰু এতিয়াও প্ৰত্যেককে অনুপ্ৰাণিত কৰে। আলোচনাত ভাগ লৈ বিজেডিৰ সাংসদ দেৱাশীষ চামান্তাৰাই বন্দে মাতৰমক স্বাধীন ভাৰতৰ কণ্ঠ বুলি উল্লেখ কৰে।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দেশৰ জনসাধাৰণক **আপোনাৰ ধন-আপোনাৰ অধিকাৰ অভিযান**ত অংশগ্ৰহণ কৰাৰ বাবে আহ্বান জনাইছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয়,

যে ইয়াৰ দ্বাৰা জনসাধাৰণে তেওঁলোকৰ পাহৰি যোৱা বিত্তীয় সম্পত্তি নতুন সুযোগলৈ পৰিৱৰ্তন কৰাৰ সুবিধা পাব। তেওঁ লগতে কয়, যে জনসাধাৰণে যাতে উপযুক্ত প্ৰমাণৰ ভিত্তিত বিভিন্ন বেংকত জমা থকা গৰাকীবিহীন জমাৰাশি পুনৰ দাবী কৰাৰ লগতে বীমাৰ ধনৰাশি, লাভাংশ আৰু আন বিত্তীয় সম্পত্তিসমূহ লাভ কৰিব পাৰে, তাৰ বাবে এই পদক্ষেপ লোৱা হৈছে।

ooooo

অহা দশকৰ ভিতৰত ভাৰত হাইড্ৰ'জেন শক্তি ৰপ্তানিকাৰী দেশ হিচাপে পৰিগণিত হোৱাৰ পথত অগ্ৰসৰ হৈছে বুলি কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে প্ৰকাশ কৰিছে। তেওঁ কয়, যে জাহাজ পৰিবহণ, বিমান পৰিবহণ, উদ্যোগ আৰু স্মাৰ্ট পৰিবহণৰ ক্ষেত্ৰত হাইড্ৰ'জেনে বিশেষ ভূমিকা পালন কৰিব পাৰে। নতুন দিল্লীত আজি এটা অনুষ্ঠানত অংশ লৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে চৰকাৰে পৰিবহণ ব্যয় হ্ৰাস কৰাৰ বাবে শক্তিশালী ব্যৱস্থা গ্ৰহণ কৰাৰ কথা উল্লেখ কৰে। তেওঁ লগতে কয়, যে চৰকাৰে সমগ্ৰ দেশতে তীব্ৰ বেগেৰে বাহন চলাচল কৰিব পৰা ২৮ টা ঘাইপথ নিৰ্মাণৰ বাবে সাজু হৈছে। তদুপৰি, দিল্লী-এন চি আৰ খণ্ডৰ পথ উন্নয়ন প্ৰকল্পৰ বাবে চৰকাৰে ১ লাখ ৫০ হাজাৰ কোটি টকা বিনিয়োগ কৰিছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ooooo

ভাৰতীয় ৰে'লৱেত মহিলাৰ সুৰক্ষাক সৰ্বাধিক গুৰুত্ব দিয়া হয় বুলি ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে। লোকসভাত আজি এটা প্ৰশ্নৰ লিখিত উত্তৰত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে মহিলা যাত্ৰীৰ সুৰক্ষা আৰু নিৰাপত্তাৰ বাবে ৰে'লৱে আৰক্ষীৰ সহযোগিতাত ভালেমান পদক্ষেপ গ্ৰহণ কৰা হৈছে। তেওঁ কয়, যে **মেৰী চহেলী** পদক্ষেপৰ অধীনত অকলশৰীয়াকৈ দীঘলীয়া যাত্ৰা কৰা মহিলা যাত্ৰীক সমগ্ৰ যাত্ৰা পথত সুৰক্ষাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়া হয়। ইয়াৰ বাবে কিছু সংখ্যক ৰে'লৰ দবা আৰু ৰে'ল ষ্টেচনত চিচি টিভিৰ জৰিয়তে নিৰীক্ষণৰ ব্যৱস্থা কৰা হৈছে বুলি শ্ৰীবৈষ্ণৱে জানিবলৈ দিয়ে। তেওঁ লগতে কয়, যে মহিলাৰ বাবে সংৰক্ষিত দবাত পুৰুষ যাত্ৰীৰ প্ৰৱেশৰ বিৰুদ্ধে ব্যৱস্থা লোৱা হৈছে আৰু এনে নিয়ম ভংগকাৰীসকলৰ বিৰুদ্ধে আইনী ব্যৱস্থা লোৱা হয়।

ooooo

কেন্দ্ৰীয় ফিচাৰী, পশুপালন আৰু দুগ্ধ উৎপাদন দপ্তৰৰ মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে দেশৰ মাছৰ ৰপ্তানি যোৱা ১০ বছৰত দুগুণ বৃদ্ধি পাইছে বুলি উল্লেখ কৰিছে। এই পৰিমাণ, পূৰ্বৰ তুলনাত ৬২ হাজাৰ কোটিতকৈ অধিক হৈছে। তেওঁ কয়, যে ২০১৩-১৪ চনত দেশত ৩০ হাজাৰ কোটিতকৈও অধিক মূল্যৰ মাছ ৰপ্তানি হৈছিল। ৰাজ্যসভাৰ প্ৰশ্নকালত এই কথা উল্লেখ কৰি শ্ৰীসিঙে কয়, যে ২০১৩-১৪ চনত ৯৫ লাখ ৭০ হাজাৰ টন মাছ উৎপাদনৰ তুলনাত ২০২৩-২৪ চনত এই পৰিমাণ ১৯৭ লাখ টনলৈ বৃদ্ধি পাইছে। তেওঁ কয়, যে মাছৰ উৎপাদন বৃদ্ধিৰ ফলত দেশৰ মাছমৰীয়াসকলৰ আৰ্থিক অৱস্থা যথেষ্ট টনকিয়াল হৈছে। নৰেন্দ্ৰ মোদী চৰকাৰে মাছমৰীয়াসকলৰ কল্যাণৰ বাবে কেইবাখনো আঁচনি ৰূপায়ণ কৰি থকা বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

ooooo

ঐতিহাসিক অসম আন্দোলনত প্ৰাণ আহুতি দিয়া শ্বহীদৰ স্মৃতিত শ্ৰদ্ধা জনাই আজি ৰাজ্যজুৰি শ্বহীদ দিৱস পালন কৰা হয়। অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ এই আন্দোলনত অংশ লৈ জীৱন হেৰুওৱা আৰু কাললৈ ঘূণীয়া হোৱা ৮ শতাধিক লোকৰ ত্যাগৰ প্ৰতি শ্ৰদ্ধা জনাই এই দিৱস পালন কৰা হয়। অসম চৰকাৰৰ

উদ্যোগত শেহতীয়াকৈ  অসম আন্দোলনৰ ছহিদসকলৰ প্ৰকৃত সংখ্যা নিৰূপণ কৰি প্ৰণালীবদ্ধভাৱে তেওঁলোকৰ তথ্য সংৰক্ষণ কৰা হয়। এই প্ৰয়াসৰ অংশ হিচাপে গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত ৮৬০ গৰাকী ছহিদলৈ শ্ৰদ্ধা জনাই নিৰ্মাণ কৰা ছহিদ স্মাৰক ক্ষেত্ৰ আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উদ্বোধন কৰে। তেওঁ লগতে স্মাৰক ক্ষেত্ৰত থকা শ্বহীদ প্ৰণাম জ্যোতিত অসম আৰু অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত আত্মবলিদান দিয়া মহান শ্বহীদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি  নিবেদন কৰে।

অনুষ্ঠানত অংশ লৈ কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অসম আন্দোলনৰ ছহিদসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰি কয় যে এই স্মাৰক নিৰ্মাণে ছহিদসকলৰ ত্যাগৰ প্ৰতি যথোচিত শ্ৰদ্ধা প্ৰদৰ্শন কৰিছে। অসমৰ অস্তিত্ব ৰক্ষাৰ বাবে আন্দোলন কৰি নিজৰ জীৱন পৰ্যন্ত ত্যাগ কৰা ছহিদসকলৰ সপোনক বাস্তৱায়িত কৰাৰ বাবে চৰকাৰে বিভিন্ন পদক্ষেপ লৈছে বুলি তেঁও উল্লেখ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি শ্বহীদ দিৱস উপলক্ষে অসম আন্দোলনত প্ৰাণ আহুতি দিয়া বীৰসকলক স্মৰণ কৰে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত তেওঁ কয় যে দেশৰ ইতিহাসত অসম আন্দোলনৰ বিশেষ স্থান আছে। অসম আন্দোলনত অংশগ্ৰহণ কৰাসকলৰ সপোন পূৰ কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি তেওঁ দোহাৰে। ৰাজ্যখনৰ সৰ্বাত্মক উন্নয়ন তথা সংস্কৃতি শক্তিশালী কৰি তোলাত চৰকাৰে অগ্ৰাধিকাৰ দি আহিছে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ উদ্যোগত আজি ডিব্ৰুগড়ৰ মোহনবাৰী বায়ুসেনা ঘাটিত বিজয় দিৱস পালন কৰা হৈছে। কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি এয়াৰ শ্ব‍ প্ৰদৰ্শন কৰা হয়। এয়াৰ শ্বত ছুখয়, এন্তন‍ভ, এন - 32 পৰিবহন বিমান, চিনুক, হেভিলীড হেলিকপ্তাৰ আৰু মীগ ১৭ হেলিকপ্তাৰে উৰণ কৌশল প্ৰদৰ্শন কৰে। অনুষ্ঠানত বায়ু সেনা বাহিনীৰ মুৰববী এয়াৰ ছীফ মাৰ্চেল অমৰপ্ৰীত সিং মুখ্য অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত বায়ু সেনা বাহিনীৰ মুৰববীগৰাকীয়ে কয় যে অপাৰেছন সিন্দূৰ এতিয়াও অব্যাহত আছে আৰু  ভাৰতীয় বায়ু সেনা বাহিনী যিকোনো বহিঃ শত্ৰুৰ আক্ৰমণ প্ৰতিৰোধ কৰিবলৈ সম্পূৰ্ণৰূপে সাজু।

১৯৭১ চনৰ যুদ্ধত পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ ঐতিহাসিক জয়ৰ চিনস্বৰূপে বায়ু সেনা বাহিনীৰ ইষ্টাৰ্ণ কমাণ্ডাৰ মুখ্য কাৰ্যালয়ে আয়োজন কৰা এই দিৱসৰ অনুষ্ঠানত প্ৰাক্তন সৈনিক, স্কুলীয়া শিক্ষাৰ্থী আৰু ভালেসংখ্যক অসামৰিক লোকে অংশগ্ৰহণ কৰে।

০০০০০

চৰকাৰৰ এখন জিলা-এটা সামগ্ৰী পদক্ষেপৰ অধীনত দেশৰ ৭৭৫ খন জিলাৰ পৰা এহেজাৰ ২০০ৰো অধিক সামগ্ৰী চিনাক্ত কৰা হৈছে। এই পদক্ষেপৰ অধীনত সামগ্ৰীৰ একোটা ব্ৰেণ্ড বাছনি কৰি প্ৰতিখন জিলাৰ পৰা কমেও এটাকৈ সামগ্ৰীৰ প্ৰসাৰৰ জৰিয়তে সমগ্ৰ খণ্ডৰ সৰ্বাঙ্গীন উন্নয়নৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। লোকসভাত আজি উত্তৰ পূব খণ্ডৰ উন্নয়ন দপ্তৰৰ ৰাজ্য মন্ত্ৰী ড০ সুকান্ত মজুমদাৰে এটা প্ৰশ্নৰ লিখিত উত্তৰত এই কথা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে এখন জিলা-এটা সামগ্ৰী পদক্ষেপৰ অধীনত সকলো সামগ্ৰীৰ প্ৰসাৰ তথা ৰপ্তানিৰ বাবে বিভিন্ন ব্যৱস্থা লোৱা হৈছে। ইয়াৰ ভিতৰত  জিলা ভিত্তিত আয়োজন কৰা প্ৰদৰ্শনীত অংশগ্ৰহণৰ সুবিধাৰ লগতে বিভিন্ন সংস্থাৰ সৈতে সহযোগিতাৰ ক্ষেত্ৰত নিয়মীয়াকৈ দক্ষতা বিকাশ পদক্ষেপ গ্ৰহণ অন্যতম বুলি ড০ মজুমদাৰে উল্লেখ কৰে।

০০০০০

সামুহিক অনাতাঁৰ অভিযানৰ জৰিয়তে বিগত ৫ বছৰত দেশত মুঠ ২১২ টা নতুন সামুহিক অনাতাঁৰ কেন্দ্ৰ স্থাপন কৰা হৈছে। চৰকাৰে পূৰ্বৰে পৰা থকা আৰু নতুনকৈ স্থাপন কৰা সামুহিক অনাতাঁৰ কেন্দ্ৰসমূহৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ৫০ কোটি টকা ব্যয় সাপেক্ষে এই আঁচনি ৰূপায়ণ কৰিছে। লোকসভাত আজি এটা প্ৰশ্নৰ লিখিত উত্তৰত তথ্য আৰু সম্প্ৰচাৰ দপ্তৰৰ ৰাজ্য মন্ত্ৰী ড০ এল মুৰুগানে কয়, যে নতুনকৈ স্থাপন কৰা সামুহিক অনাতাঁৰ কেন্দ্ৰসমূহৰ ভিতৰত উত্তৰ প্ৰদেশত ৩৫ টা ষ্টেচন স্থাপন কৰা হৈছে। ড০ মুৰুগানে লগতে বিগত ৫ বছৰত পূৰ্বৰে পৰা থকা ৩১ টা সামুহিক অনাতাঁৰ কেন্দ্ৰক বিত্তীয় সাহায্যও প্ৰদান কৰা হৈছে বুলি জানিবলৈ দিয়ে।

০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টী-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল কাইলৈ চণ্ডীগড়ৰ মুল্লানপুৰত অনুষ্ঠিত হ'ব। খেলখন কাইলৈ সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰত সম্প্ৰতি শৃংখলাত ১-০ ফলাফলত আগবাঢ়ি আছে। ভাৰতে কালি কটকত অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত আলহী দলটোক ১০১ ৰানৰ বিশাল ব্যৱধানত পৰাস্ত কৰে।

০০০০০

সমাপ্ত